**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে।

২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন মিউনিখ নিৰাপত্তা সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণৰ বাবে জাৰ্মানীত উপস্থিত হয়।

৩। কেন্দ্ৰীয় মন্ত্ৰী পিয়ুছ গোৱেলে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটখনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ বাবে এটা শক্তিশালী ভেটি গঢ়ি তুলিব বুলি উল্লেখ কৰে।

৪। কৃত্ৰিম বুদ্ধিমত্তাই সামাজিক প্ৰভাৱ, তাৰ গ্ৰহণযোগ্যতা আৰু পৰিচালনাত গুৰুত্ব দি পঞ্চম ঔদ্যোগিক বিপ্লৱক শক্তি প্ৰদান কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে। ***আৰু***

৫। আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ড - দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

অসম সহ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দেশৰ অষ্টলক্ষ্মী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত প্ৰকাশ কৰে। দলৰ বুথ বিজয় সংকল্প সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত ১১ বছৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছৰ শাসন কালত অঞ্চলটোৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছে অসমক হিংসাৰ দিশে ঠেলি দিয়া বুলি আৰু তেওঁলোকৰ শাসন কালত অঞ্চলটোত অস্থিৰতা সৃষ্টিত অৰিহণা যোগোৱা বুলি অভিযোগ তোলে। শ্ৰীমোদীয়ে কয় যে যোৱা ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি অধিক টকা আৱণ্টন কৰা হৈছে আৰু অঞ্চলটোত এই সময়ছোৱাত আন্তঃগাথনি খণ্ডত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসন কালত অসম দেশৰ উন্নয়নৰ চালিকাশক্তি হিচাপে পৰিগণিত হোৱা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে অঞ্চলটোত যোগাযোগ আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰ লগতে যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টিৰ হকে কাম কৰি আছে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষত কৰ হস্তান্তৰৰ অংশ হিচাপে অভিলেখ পৰিমাণৰ ৪৯ হাজাৰ ৭২৫ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে। তেওঁ লগতে অসমত নদী পৰ্যটন আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা হ'ব বুলি মন্তব্য কৰে।

বুথ বিজয় সংকল্প সভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কয় যে এসময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অশান্ত অঞ্চল হিচাপে জনাজাত আছিল যদিও সম্প্ৰতি অঞ্চলটো উন্নয়নৰ

দিশে অগ্ৰসৰ হৈছে। তেওঁ লগতে কংগ্ৰেছে উত্তৰ পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠী, ভাষা-সংস্কৃতিক সংকটৰ মুখলৈ ঠেলি দিয়া বুলি অভিযোগ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু বিভ্ৰান্তিকৰ ৰাজনীতিৰ বাবে অসম পিছ পৰি আছিল।

সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে বিজেপি পুনৰ ক্ষমতালৈ আহিলে অহা বাৰ ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হ'ব। ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলিও তেওঁ মন্তব্য কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। এই উপলক্ষে লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰে আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰে। কামৰূপ জিলাৰ আমিনগাঁৱত আজি উত্তৰ-পূবৰ প্ৰথম আৰু দেশৰ পঞ্চমটো ডাটা চেণ্টাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। এই ডাটা চেণ্টাৰত দেশৰ সকলো দৰকাৰী ডাটা সুৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। ৩ বিঘা ভূমিত নিৰ্মাণ হোৱা এই ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰটোত আজিৰ পৰা সকলো দৰকাৰী তথ্য জনসাধাৰণে লাভ কৰিব পাৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ খানাপাৰাত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰে।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন মিউনিখ নিৰাপত্তা সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণৰ বাবে জাৰ্মানীত উপস্থিত হয়। মিউনিখত থকা ভাৰতৰ কনচ'ল জেনেৰেল শত্ৰুঘ্না সিনহাই মিউনিখ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত তেওঁক আদৰণি জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, এই সন্মিলনত বিশ্ব অৰ্থনীতি আৰু কৌশলগত দিশসমূহৰ ওপৰত বিভিন্ন দেশৰ মন্ত্ৰী আৰু বিশ্বৰ আগশাৰীৰ বিভিন্ন সংগঠনৰ মুৰব্বীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। আলোচনা কালত অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰা আৰু পাৰস্পৰিক স্বাৰ্থৰ বিষয়সমূহত আলোকপাত কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে আজি ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটখনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ বাবে এটা শক্তিশালী ভেটি গঢ়ি তুলিব বুলি উল্লেখ কৰে। মুম্বাইত সংবাদ মাধ্যমৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত গোৱেলে এই বাজেটক অৰ্থনৈতিক বিকাশ, আন্তঃগাথনি সম্প্ৰসাৰণ আৰু সকলো নাগৰিকৰ বাবে সৰ্বাঙ্গীন উন্নয়নৰ এখন দলিল বুলি আখ্যা দিয়ে। তেওঁ লগতে কয় যে বৰ্তমান চৰকাৰে উৎপাদন, ৰপ্তানী সম্প্ৰসাৰণ আৰু বিনিয়োগকাৰী সকলৰ বাবে অনুকূল পৰিবেশ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আন্তঃগাথনি তথা অৰ্থনৈতিক উন্নয়নৰ বাবে চৰকাৰে ১২ দশমিক ২-১ লাখ কোটি টকা ধাৰ্য কৰিছে। এই বাজেটত ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ বিকাশৰ বাবে এহেজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। চৰকাৰে সেৱা খণ্ডৰ ৰপ্তানীৰ জৰিয়তে বৈদেশিক মুদ্ৰাৰ উপাৰ্জন বৃদ্ধিৰ বাবে নৱীকৰণযোগ্য শক্তিৰে চালিত ডাটা চেণ্টাৰক সম্প্ৰসাৰিত

কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ২০২৬-২৭ বৰ্ষৰ বাজেটখন বিশ্বৰ সৰ্বাধিক দ্ৰুত গতিত বৃদ্ধি পোৱা অৰ্থনীতি হিচাপে ভাৰতৰ স্থিতিক অধিক শক্তিশালী কৰি তুলিব বুলি শ্ৰীগোৱেলে লগতে উল্লেখ কৰে।

০০০০০

কৃত্ৰিম বুদ্ধিমত্তাই সামাজিক প্ৰভাৱ, তাৰ গ্ৰহনযোগ্যতা আৰু পৰিচালনাত গুৰুত্ব দি পঞ্চম ঔদ্যোগিক বিপ্লৱক শক্তি প্ৰদান কৰিব বুলি কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে। আজি এটা অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰী বৈষ্ণৱে কয় যে ভাৰতে এই বছৰ বিশ্বৰ অন্যতম বৃহৎ এ.আই সন্মিলন আয়োজন কৰিব যি পৰৱৰ্তী প্ৰযুক্তিৰ ক্ষেত্ৰত দেশৰ বৰ্ধিত প্ৰভাৱৰ ইংগিত বহন কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে মুম্বাই- আহমেদাবাদ বুলেট ট্ৰেইন অহা বছৰ আৰম্ভ হ'ব। তেওঁ লগতে দেশৰ উদ্যোগখণ্ড, শিক্ষাৰ্থী তথা জনসাধাৰণক এ.আই বিপ্লৱৰ বাবে সাজু হ'বলৈ আহ্বান জনায়।

০০০০

ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ৩ বছৰৰ ভিতৰত ৰেলৱেই দেশত ১২৪টা মাল্টি ম'ডেল কাৰ্গ' টাৰ্মিণেলৰ নিৰ্মাণ কৰিব। আজি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে ৰে'লযাত্ৰী সকলক বাবে পৰিস্কাৰ তথা সুৰক্ষিত ভ্ৰমন অভিজ্ঞতা প্ৰদান কৰিবলৈ ৰে'ল বিভাগ দায়বদ্ধ বুলি মন্তব্য কৰে।

০০০০০

ভাৰতৰ প্ৰমোদ ভগতে আজি বিশ্ব পেৰা বেডমিন্টন প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰিছে। বাহৰেইনত অনুষ্ঠিত হোৱা ফাইনেল খেলখনত প্ৰমোদে ইণ্ডোনেছিয়াৰ মোহম্মদ অল ইমৰাণক ২১-১২, ২১-১৮ পৰাস্ত কৰি প্ৰতিযোগিতাত চতুৰ্থবাৰৰ বাবে সোণৰ পদক অৰ্জন কৰাৰ লগতে সৰ্বমুঠ ষষ্ঠসংখ্যক বিশ্ব চেম্পিয়নৰ খিতাপ লাভ কৰিছে। এই বিজয়ৰ জড়িয়তে প্ৰমোদে চীনৰ লীন ডেনক চেৰ পেলাই পেৰা বেডমিন্টনৰ ইতিহাসৰ পুৰষৰ একক শাখাৰ এগৰাকী অন্যতম খেলুৱৈৰ স্বীকৃতি লাভ কৰিছে।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আজি তৃতীয়খন খেলত নিউজিলেণ্ড-দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। বাতৰি যুগুতোৱাৰ পৰলৈ নিউজিলেণ্ডে প্ৰথমে বেট ধৰি ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৯ ৰান সংগ্ৰহ কৰে।

আই চি চি টি-টুৱেণ্টি বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত ইংলেণ্ডে - স্কটলেণ্ডক ৫ টা উইকেটৰ বিনিময়ত পৰাস্ত কৰে। স্কটলেণ্ডে প্ৰথমে বেট ধৰি ইংলেণ্ডক জয়ৰ বাবে ১৫৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৮ অভাৰ ২ টা বলত ৫ টা উইকেট হেৰুৱাই ১৫৫ ৰান সংগ্ৰহ কৰে। কলম্বোত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আয়াৰলেণ্ডে ওমানক ৯৬ ৰানত পৰাস্ত কৰে। খেলখনত ওমানে ২৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে, আয়াৰলেণ্ডে প্ৰথম

বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক লৰ্কান টাকাৰ্ছৰ অপৰাজিত ৯৪ ৰানৰ সহায়ত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ